## ‘অসম জাতীয় বিদ্যালয় নিজস্ব বৈশিষ্ট্যৰে মণ্ডিত একক আৰু অনন্য অনুষ্ঠান।’

## জাতীয় বিদ্যালয় সম্প্ৰীতি সমাৰোহত বিশিষ্ট সাহিত্যিক হোমেন বৰগোহাঞি

**গুৱাহাটী, ৫ মে’, ২০১৮ :** অসম জাতীয় বিদ্যালয়ৰ গৌৰৱোজ্জ্বল ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ অংশ স্বৰূপে যোৱা ৩ মে’ তাৰিখে মাছখোৱাস্থিত প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্প প্ৰেক্ষাগৃহত ‘জাতীয় বিদ্যালয় সম্প্ৰীতি সমাৰোহ’ অনুষ্ঠিত হয়। অসমৰ বিভিন্ন প্ৰান্তৰ জাতীয় বিদ্যালয়ৰ প্ৰতিনিধিৰ সমাৱেশ ঘটা এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট সাহিত্যিক তথা সাংবাদিক হোমেন বৰগোহাঞি। অসম জাতীয় বিদ্যালয়ৰ চিন্তা আৰু আদৰ্শৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি মুখ্য অতিথি হোমেন বৰগোহাঞিয়ে নিজৰ ভাষণত অসম জাতীয় বিদ্যালয় এখন সাধাৰণ বিদ্যালয় হোৱাৰ বিপৰীতে সম্পূৰ্ণ নিজস্ব বৈশিষ্ট্যৰে মণ্ডিত একক আৰু অনন্য বিদ্যালয় বুলি অভিহিত কৰে। অসমৰ জাতীয় জীৱনত বিশেষ ভূমিকাৰে অৱতীৰ্ণ হোৱা এই বিদ্যালয়খন সৰ্বশ্ৰেষ্ঠ প্ৰতিভা আৰু চিন্তাপ্ৰসূত অনুষ্ঠান বুলি অভিহিত কৰি বৰগোহাঞিয়ে বৰ্তমানৰ জাতীয় তথা সাংস্কৃতিক অস্তিত্বৰ বিপন্ন প্ৰায় সময়ত বিদ্যালয়খনে লাইফ ব’টৰ ভূমিকা পালন কৰিছে বুলিও মন্তব্য কৰে। অদূৰদৰ্শী, মূৰ্খ ৰাজনৈতিক নেতাৰ ভুল চিন্তা, কাৰ্যকলাপে অসমীয়া জাতিৰ সৰ্বনাশ মাতি আনিছে বুলিও তেওঁ তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। অসম জাতীয় বিদ্যালয়ৰ শতকৰা এশ শতাংশ উত্তীৰ্ণৰ হাৰক প্ৰশংসা কৰি বিশিষ্ট সাংবাদিক গৰাকীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত স্থান লাভ কৰাটোৱেই সৰ্বশেষ কথা নহয় বুলিও কয়। শিক্ষাৰ্থীসকল পৰিশ্ৰমী, অধ্যয়নশীল আৰু মৌলিক চিন্তাৰ অধিকাৰী হোৱাৰ ওপৰতহে তেওঁ গুৰুত্ব আৰোপ কৰে। সাহিত্যিক গৰাকীয়ে প্ৰসংগ ক্ৰমে অসমীয়া আৰু ভাৰতীয়সকলে প্ৰয়োজনতকৈ বেছি কথা কয় বুলি উল্লেখ কৰি লেখা আৰু কোৱাৰ ক্ষেত্ৰত যিমানে সংক্ষিপ্ত কৰিব পাৰি সিমানেই ভাৱগধুৰ হয় আৰু শ্ৰোতাৰ সহায়ক হয় বুলি মত প্ৰকাশ কৰে। বিশিষ্ট সাহিত্যিক গৰাকীক বিদ্যালয়ৰ তৰফৰ পৰা বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানতে অসম জাতীয় বিদ্যালয়ৰ আদৰ্শত প্ৰতিষ্ঠিত ৰাজ্যখনৰ ৫৭ খন জাতীয় বিদ্যালয়ক পঞ্জীয়ন পত্ৰ প্ৰদান কৰা হয়। শৈক্ষিক দিশ, আন্তঃগাঁথনি, সহপাঠ্যক্ৰম বিষয়ত গুৰুত্ব আৰোপ, শিক্ষক-শিক্ষাৰ্থীৰ অনুপাত ইত্যাদি বিভিন্ন দিশ বিবেচনা কৰি এই বিদ্যালয়সমূহক পঞ্জীয়নপত্ৰ প্ৰদান কৰা হয়। দিনৰ ১০ বজাৰ পৰা অনুষ্ঠিত এই বিশেষ অনুষ্ঠানৰ আৰম্ভণিতে অসম জাতীয় বিদ্যালয়ৰ ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকাই বন্তি প্ৰজ্বলন কৰে। জাতিৰ হকে প্ৰাণ দিয়া ছহিদসকলৰ উপৰি অসম জাতীয় বিদ্যালয় প্ৰতিষ্ঠাত বিশেষ ভূমিকা গ্ৰহণ কৰা প্ৰয়াত ভৱেন কুমাৰ বৰা, কৃষ্ণ কুমাৰ বৰা আৰু বিদ্যালয়ৰ প্ৰতিষ্ঠাপক শিক্ষক ত্ৰিদিব ভট্টাচাৰ্যৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰা হয়। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ ৩০৬ খন জাতীয় বিদ্যালয়ৰ ৪৯৭ গৰাকী প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা এই সভাত উদ্দেশ্য ব্যাখ্যা কৰে অসম জাতীয় বিদ্যালয়ৰ সচিব ডা° নাৰায়ণ শৰ্মাই। সভাত অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ অধ্যক্ষ তথা অসম জাতীয় বিদ্যালয়ৰ ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকা, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰী, বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধি, বিশিষ্ট শিক্ষাবিদ লক্ষীনাথ তামুলী আৰু প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমণি শইকীয়াই মন্তব্য আগবঢ়ায়। ইয়াৰ পিছত অনুষ্ঠিত প্ৰতিনিধি সভাত কিছুসংখ্যক প্ৰতিনিধিয়ে নিজৰ অনুভৱ ব্যক্ত কৰে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় বিদ্যালয়ৰ উপাধ্যক্ষ ধ্ৰুৱ শৰ্মাই। সম্প্ৰীতি সমাৰোহৰ অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱাই। সম্প্ৰীতি সমাৰোহৰ সমগ্ৰ অনুষ্ঠানটোৰ আহ্বায়িকাৰ দায়িত্বত আছিল বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী যুথিকা পাটোৱাৰী।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০
ফ’ন : ৯৭০৬০২৫১৬৭